**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-03-2026
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

বিধানসভা নিৰ্বাচনলৈ মাজত মাথো ৮টা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তুংগত উঠিছে। শাসক-বিৰোধী উভয়ে তাৰকা প্ৰচাৰকক লৈ ভোটদাতাসকলক আকৰ্ষণ কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলাইছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি দেৰগাঁৱত প্ৰচাৰ চলায়। শীতল পথাৰত জনসভাত অংশ লৈ মন্ত্ৰীগৰাকীয়ে গোলাঘাট আৰু যোৰহাট জিলাৰ এন ডি এ প্ৰাৰ্থী দুগৰাকীৰ হৈ প্ৰচাৰ চলায়। ইয়াৰ আগেয়ে শ্ৰী সিঙে তেজপুৰত প্ৰচাৰ সভাত অংশ লয়।

বিজেপিৰ নেত্ৰী স্মৃতি ইৰাণীয়ে আজি ধেমাজিৰ চিমেনমুখ কুলীবজাৰ অঞ্চলত আয়োজিত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। তেওঁ এন ডি এ মিত্ৰজোঁটৰ প্ৰাৰ্থী ভূবন পেগুৰ হৈ প্ৰচাৰ চলায়। একেদৰে মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নাবিচে আজি যোৰহাটৰ এটি টি ৰোডত আয়োজিত প্ৰচাৰ সভাত অংশ লৈ সমষ্টিটোৰ বিজেপিৰ প্ৰাৰ্থী হিতেন্দ্ৰ নাথ গোস্বামীৰ হৈ প্ৰচাৰ চলায়। বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আৰু কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি প্ৰচাৰতভাগ লয়। মুখ্যমন্ত্ৰীয়ে ৰহা, ডিমৰীয়া, বৰক্ষেত্ৰী আৰু কমলপুৰত প্ৰচাৰ অভিযানত অংশ লৈছে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ডিগবৈ আৰু মাকুমত আয়োজিত জনসভাত অংশ লৈ দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ ধেমাজিৰ গোগামুখ আৰু বিশ্বনাথৰ বিহালীত নিৰ্বাচনী প্ৰচাৰ চলাব। ৬ এপ্ৰিলত প্ৰধানমন্ত্ৰীয়ে মৰাণ, বৰপেটা আৰু লামডিঙত প্ৰচাৰ চলোৱাৰ বাবে পুনৰ অসমলৈ আহিব। এই ভ্ৰমণ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ শৰ্মাই এইদৰে কয়–

*(বাইট ঃ ড০ শৰ্মা)*

কংগ্ৰেছৰ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে কাইলৈ দেৱব্ৰত শইকীয়া, লুৰিণজ্যোতি গগৈ আৰু বিপুল গগৈৰ হৈ নাজিৰা, খোৱাং আৰু টিংখাঙত নিৰ্বাচনী প্ৰচাৰ চলাব। ২ এপ্ৰিলত কংগ্ৰেছ দলৰ নেতা ৰাহুল গান্ধীয়ে বোকাজান আৰু টীয়কত প্ৰচাৰ চলাব।

অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি গৌৰৱ গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰিণ জ্যোতি গগৈ, ৰাইজৰ দলৰ অখিল গগৈ, কামৰূপ মহানগৰ জিলাৰ দিছপুৰ সমষ্টিৰ প্ৰাৰ্থী মীৰা বৰঠাকুৰকে ধৰি কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটৰ আন আন প্ৰাৰ্থী সকলেও ভোটদাতাক আকৰ্ষণৰ চেষ্টা চলাইছে। এ আই ইউ ডি এফৰ সভাপতি বদৰুদ্দিন আজমলে আজি বিলাসীপাৰাত প্ৰচাৰ চলায়।

০০০০০

আসন্ন নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনে ব্যাপক প্ৰস্তুতি চলাইছে। কাৰ্বি আংলং জিলাত বিধানসভা নিৰ্বাচন নিয়াৰিকৈ আৰু শৃংখলাবদ্ধভাৱে পৰিচালনাৰ বাবে প্ৰিজাইডিং আৰু পোলিং বিষয়াসকলক ডিফুৰ ৰেংবংসম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত প্ৰশিক্ষণ দিয়া হৈছে। জিলাখনৰ তিনিটা বিধানসভা সমষ্টিৰ বাবে আঠ হাজাৰ দুই শতাধিক নিৰ্বাচনী বিষয়া-কৰ্মচাৰীক নিয়োগ কৰা হৈছে। শিৱসাগৰ জিলাতো প্ৰশাসনে নিৰ্বাচনী কাম-কাজ নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ লৈছে। আন্তঃগাঁথনি উন্নীতকৰণ, নিৰ্বাচনী কোষ গঠন, নিৰ্বাচনী আচৰণবিধি কাৰ্যকৰীকৰণৰ লগতে ভোটদাতাক সজাগ কৰাৰ বাবে ব্যৱস্থা লোৱা হৈছে। উল্লেখযোগ্য যে, বিধানসভা নিৰ্বাচনত বিশেষভাৱে সক্ষম ভোটদাতাসকলৰ অংশগ্ৰহণ নিশ্চিত কৰিবলৈ সক্ষম নামৰ ম'বাইল এপ প্ৰস্তুত কৰা হৈছে।

দক্ষিণ শালমাৰা মানকাচৰ জিলা প্ৰশাসনেও নিৰ্বাচনৰ বাবে প্ৰস্তুতি অব্যাহত ৰাখিছে। আজি পুৰা ই ভি এম, ভি ভি পেটসমূহৰ পৰীক্ষণ কাৰ্যসূচী সম্পন্ন হয়। ভোটগ্ৰহণ প্ৰক্ৰিয়া ত্ৰুটিমুক্ত কৰাৰ বাবে এই প্ৰক্ৰিয়া সম্পন্ন কৰা হৈছে।

০০০০০

২০২৭ৰ লোকপিয়ল কাইলৈ আৰম্ভ হ'ব। ২০২৭ চনৰ ফেব্ৰুৱাৰী পৰ্যন্ত চলিবলগীয়া এই লোকপিয়ল দুটা পৰ্যায়ত হ'ব। এয়া হ'ব দেশৰ যোড়শ আৰু স্বাজোত্তৰ ভাৰতৰ অষ্টম লোকপিয়ল। এই লোকপিয়লত সামাজিক অৱস্থা আৰু জাতিগত গণনাকে ধৰি জনসংখ্যা আৰু গৃহ পিয়ল অন্তৰ্ভুক্ত হ'ব। দেশত প্ৰথমবাৰৰ বাবে এইবাৰ সম্পূৰ্ণ ডিজিটেল প্ৰক্ৰিয়াৰে লোকপিয়ল হ'ব আৰু এণ্ড্ৰইদ আৰু আই অ' এছত উপলভ্য মোবাইল এপৰ জৰিয়তে তথ্যসমূহ সংগ্ৰহ কৰা হ'ব। এই সমগ্ৰ প্ৰক্ৰিয়াটোত ৩০ লাখ কৰ্মচাৰীক নিয়োজিত কৰা হৈছে। ০০০০০

০০০০০

অসমে চত্তিশগড়ত অনুষ্ঠিত খেলো ইণ্ডিয়া জনজাতীয় ক্ৰীড়া মহোৎসৱৰ এথলেটিক্সত আৰু দুটা পদক লাভ কৰিছে। পুৰুষৰ শ্বটপুট শিতানত আজি মানস প্ৰতীম ৰাভাই ব্ৰঞ্জৰ আৰু মহিলাৰ ডিচকাচ থ্ৰোত কৃষ্ণামণি পেগুৱে ব্ৰঞ্জৰ পদক লাভ কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি পঞ্জাৱৰ মুল্লানপুৰত অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে- পাঞ্জাৱ কিংছক জয়ৰ বাবে ১৬৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলখনত গুজৰাটে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৬ টা উইকেট হেৰুৱাই ১৬২ ৰান সংগ্ৰহ কৰে। ০০

০০০০০

ঃঃ সমাপ্ত ঃঃ